আজিৰ বতৰ বাৰ্তা

গুৱাহাটীৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰৰ পূৰ্বানুমান অনুসৰি আজি ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজিৰ সৰ্বোচ্চ তাপমাত্ৰা ২৯°, সৰ্বনিম্ন তাপমাত্ৰা ১৮° চেলছিয়াছ। সূৰ্যোদয়ৰ সময় ৫.৫৬ বজা। সূৰ্যাস্তৰ সময় ৫.২০ বজা।

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

সোমবাৰ, ২০ ফেব্ৰুৱাৰী ২০২৩ ◻ MONDAY, 20 FEBRUARY 2023

শুভ বাৰ্তা

নিজৰ কাৰণে কোনো কথা বা চিন্তা বা কাৰ্যৰ দ্বাৰা আনৰ অসন্তুষ্টি উৎপাদন নকৰাটোৰ নামেই চৰিত্ৰৰ পবিত্ৰতা।

—অম্বিকাগিৰী ৰায়চৌধুৰী





### কানৈ মহাবিদ্যালয়ত অসম চৰকাৰৰ প্ৰাক্তন মুখ্য সচিব জিষ্ণু বৰুৱা

## প্ৰতিযোগিতামূলক পৰীক্ষাৰ সম্পৰ্কে শিক্ষাৰ্থীৰে মত বিনিময়

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১৯ ফেব্ৰুৱাৰী ঃ** ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ আই চি জি চি, ছাত্ৰ একতা সভা, ডি চি ছাত্ৰাৱাস আৰু ছাত্ৰী নিবাসৰ উদ্যোগত কালি মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতি সম্পৰ্কে এক কেৰিয়াৰ গাইডেন্স অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত অসম চৰকাৰৰ প্ৰাক্তন মুখ্য সচিব তথা বৰ্তমান এ.পি ডি চি এলৰ অধ্যক্ষ জিষ্ণু বৰুৱা মুখ্যবক্তা হিচাপে উপস্থিত থাকি প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতি সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° পল্লৱী গগৈয়ে আঁত ধৰা অনুষ্ঠানত বৰুৱাই ভাৰতীয় অসামৰিক সেৱাৰ পৰীক্ষাসমূহৰ ইতিহাস বৰ্ণনা কৰাৰ লগতে এই পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ কি কি গুণ আয়ত্ব কৰিব লাগিব, কিদৰে প্ৰস্তুতি চলাব লাগিব, বিষয়সমূহ কিদৰে অধ্যয়ন কৰিব লাগিব ইত্যাদি বিষয়সমূহ অতি সুক্ষ্মভাৱে ছাত্ৰ-ছাত্ৰীসকলৰ আগত দাঙি ধৰে। কিতাপৰ টোপোলা আৰু অন্যান্য সামগ্ৰীৰে সম্বৰ্ধনা জনোৱা অনুষ্ঠানটিত ছাত্ৰ-ছাত্ৰীসকলৰ লগত মতবিনিময়ৰ সময়ত তেওঁ প্ৰশাসনিক সেৱাৰ লগত জড়িত ব্যক্তিগত অভিজ্ঞতাসমূহ সাৱলীলভাৱে বৰ্ণনা কৰে যিয়ে ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত অৱতীৰ্ণ হোৱাৰ লগতে বিশেষকৈ প্ৰশাসনিক সেৱাৰ লগত জড়িত হ'বৰ বাবে অনুপ্ৰাণিত কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া এক বিশেষ কাৰণত অসমৰ বাহিৰত থাকিবলগীয়া হোৱাত অধ্যক্ষৰ হৈ উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামীয়ে আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানটিত উদ্দেশ্য ব্যাখ্যা কৰে মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ড° বিৰাজ দত্তই। অনুষ্ঠানটিত এপি ডি চি এলৰ আই টি বিভাগৰ উপ-মহাপ্ৰবন্ধক ৰেজা মহম্মদকে ধৰি কেইবাগৰাকী গণ্যমান্য ব্যক্তি আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনুষ্ঠানটিত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকি আগ্ৰহেৰে মতবিনিময় অনুষ্ঠানটিত অংশগ্ৰহণ কৰাৰ বাবে অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলক ফোনযোগে ধন্যবাদ জ্ঞাপন কৰে। শেষত শলাগৰ শৰাই আগবঢ়াই মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ড° বিৰাজ দত্তই। ছাত্ৰ-ছাত্ৰীসকলৰ লগত মতবিনিময় অনুষ্ঠানটিত বৰুৱাই অনাগত দিনত এনেধৰণৰ কাৰ্যসূচীত উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলৰ লগত মতবিনিময় কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে।

